# Five-Day Mask-Making Workshop at Rangia Teacher Training College

Rangia Teacher Training College, through its **Department of Drama & Art**, organised a five-day **Mask-Making Workshop** from **12th to 16th October 2026** for the B.Ed. First Semester students of the academic session 2026–27.

The workshop was conducted by **Mintu Borah, Assistant Professor (ITEP), Rangapara College**, as the Resource Person. The primary objective of the workshop was to promote creativity, artistic expression, and experiential learning among students through traditional art and craft.

Through practical demonstrations and hands-on activities, students explored different mask-making techniques and developed their artistic and creative skills. The workshop also provided an opportunity for students to appreciate the cultural and educational significance of mask-making as a traditional art form.

The five-day programme created an engaging learning environment that encouraged imagination, innovation, and active participation. It proved to be a valuable experience for the student-teachers, helping them understand the importance of integrating art and craft into the teaching-learning process.

**Programme Details**

- **Event:** Five-Day Mask-Making Workshop
- **Date:** 12–16 October 2026
- **Resource Person:** Mintu Borah, Assistant Professor (ITEP), Rangapara College
- **Organising Department:** Department of Drama & Art
- **Institution:** Rangia Teacher Training College





















GPS Map Camera
Rangia, Assam, India
Ward No, 05, Mahendra Das Path, Rangia, Assam
781354, India
Lat 26.44346° Long 91.623009°
Monday, 12/10/2026 10:57 AM GMT +05:30














Rangia, Assam, India


MASK MAKING


GPS Map Camera
Rangia, Assam, India
Ward No, 05, Mahendra Das Path, Rangia, Assam 781354,
India
Lat 26.443443° Long 91.622417°
Friday, 16/10/2026 11:29 AM GMT +05:30
Note : Captured by GPS Map Camera



## ৰঙিয়া বি এড কলেজ

# মুখা নিৰ্মাণ কৰ্মশালা আৰম্ভ

**প্ৰতিদিন বিশেষ সেৱা, ৰঙিয়া, ১৩ অক্টোবৰ ঃ** ৰঙিয়া শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ত ১২ অক্টোবৰৰ পৰা মহাবিদ্যালয়ৰ গুণগত মান নিৰূপণ কোষৰ উদ্যোগত পাঁচদিনীয়া কাৰ্যসূচীৰে মুখা নিৰ্মাণ প্ৰশিক্ষণ কাৰ্যসূচী আৰম্ভ হৈছে। ৰঙিয়া শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয় প্ৰেক্ষাগৃহত আয়োজন কৰা উদ্বোধনী অনুষ্ঠানত সমল ব্যক্তি হিচাপে মুখাশিল্পী তথা তেজপুৰ-ৰঙাপৰা শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ অতিথি অধ্যাপক মিণ্টু বৰাই কয় যে মুখাশিল্প অসমীয়া সংস্কৃতিৰ এক আপুৰুগীয়া শিল্পকৰ্ম। মুখাশিল্পৰ জৰিয়তে এগৰাকী নিৰ্মাণকাৰীৰ কল্পনা শক্তি, সৃজনী প্ৰতিভা আৰু উদ্ভাৱনী চিন্তাৰ বহিঃপ্ৰকাশ ঘটে। উদ্বোধনী অনুষ্ঠানত সহযোগী অধ্যাপক ক্ৰমে চিন্তামণি মলিয়া, নীলম শইকীয়া আৰু ভাস্বতী বৰুৱাও উপস্থিত থাকে। শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা এই কৰ্মশালাত মূলতঃ মুখাশিল্পক ভাস্কৰ্য কলাৰ অংশ হিচাপে ইয়াৰ নিৰ্মাণকাৰ্যৰ বিভিন্ন কলা-কৌশল সন্দৰ্ভত প্ৰশিক্ষণ প্ৰদান কৰা হয়। প্ৰশিক্ষণত গোবেশ্বৰৰ বৰষা হাজৰিকাই সহযোগী সমল ব্যক্তি হিচাপে উপস্থিত থাকে।

# দৈনিক অসম

## ৰঙিয়া শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ত মুখা নিৰ্মাণ কৰ্মশালা



**দৈনিক অসমৰ প্ৰতিনিধি**

**ৰঙিয়া, ১৭ অক্টোবৰ ঃ** ৰঙিয়া শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ত যোৱা ১২ অক্টোবৰৰ পৰা পাঁচদিনীয়াকৈ আয়োজিত মুখা নিৰ্মাণ কৰ্মশালাৰ কালি সফল সামৰণি পৰে। কৰ্মশালাৰ সামৰণিৰ দিনা প্ৰশিক্ষাৰ্থীসকলৰ মাজত প্ৰমাণ-পত্ৰ বিতৰণ কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক ডঃ উনিন্দজ্যোতি চৌধুৰী, ৰঙিয়া শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ডঃ নমিতা হালৈ, অৱসৰপ্ৰাপ্ত অধ্যক্ষ ডঃ পাৰ্থ ফুকন মহন্ত, কৰ্মশালাখনৰ সমন্বয়ক ডঃ চিন্তামণি মলীয়া উপস্থিত থাকে। সামৰণী অনুষ্ঠানত কৰ্মশালাখনৰ সমল ব্যক্তি ক্ৰমে ৰঙাপৰা মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক মিণ্টু বৰা আৰু বৰষা হাজৰিকাও উপস্থিত থাকে। কৰ্মশালাখনত প্ৰশিক্ষাৰ্থী হিচাপে ১০০গৰাকী ছাত্ৰ-ছাত্ৰীয়ে ভাগ লয়। কৰ্মশালাত প্ৰশিক্ষাৰ্থীসকলক মুখা নিৰ্মাণৰ বিভিন্ন কৌশলসমূহ শিকোৱা হয়। প্ৰশিক্ষাৰ্থীসকলে কৰ্মশালাত গৰুড় পক্ষী, তাৰকা ৰাক্ষসী, কৃষ্ণ-ৰাধা আদিৰ উপৰি আধুনিক নাটকীয় চৰিত্ৰ বহন কৰা ভালেসংখ্যক আকৰ্ষণীয় মুখা তৈয়াৰ কৰে। উল্লেখ্য যে মুখাসমূহ মহাবিদ্যালয় কৰ্তৃপক্ষই সংৰক্ষণ কৰাৰ ব্যৱস্থা কৰিছে।

******